# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 10-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::***

ভাৰত আৰু পাকিস্তানে গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰাৰ কেইঘণ্টামান পাছতে পাকিস্তানী সেনাই আজি পুনৰ যুদ্ধবিৰতি উলংঘা কৰে। জম্মু-কাশ্মীৰৰ পুঞ্চৰ নিয়ন্ত্ৰণৰেখাৰ সমীপত কেইবাটাও পাকিস্তানী ড্ৰোন দেখা গৈছে। ৰাজস্থানৰ বাৰমেৰত নিস্প্ৰদীপ কৰা হৈছে।

০০০০

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানে আজি সন্ধিয়া তাৎক্ষণিকভাৱে গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছিল। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে নতুন দিল্লীত এই বিষয়ে ঘোষণা কৰি কয়, যে পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধানে আজি দুপৰীয়া সংঘৰ্ষ বিৰতিৰ বাবে ফোনযোগে আহ্বান জনায় আৰু ইয়াৰ পাছতে বিষয়টোলৈ আলোচনা হয়। এই আলোচনাত দুয়োপক্ষই গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে। তেওঁ কয় যে দুয়ো পক্ষই স্থল, জল আৰু আকাশমাৰ্গৰে সকলো ধৰণৰ গুলিবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ কৰিব। এই সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে দুয়োপক্ষক নিৰ্দেশ দিয়া হৈছে বুলি বিদেশ সচিবগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে সোমবাৰে সামৰিক অভিযানৰ সঞ্চালক প্ৰধান পৰ্যায়ত পুনৰ আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংঘৰ্ষ বিৰতি ঘোষণাৰ ঠিক পাছতে নতুন দিল্লীত তেওঁৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, চীফ অফ ডিফেন্স ষ্টাফ অনিল চৌহান আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বীসকল বৈঠকত উপস্থিত থাকে।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোট গণনাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

শিৱসাগৰ সদৰৰ গৌৰীসাগৰ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৪ খন জিলা পৰিষদৰ বাবে কাইলৈ ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হব। ভোটগণনাত নিয়োজিত ৫০০ গৰাকী বিষয়াক আজি অনুশীলন কৰোৱা হয়। নগাওঁ জিলাৰ ধিং, ৰূপহী আৰু চামগুৰি বিধানসভা সমষ্টিৰ ভোটগণনা নগাওঁ চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত হ'ব। একেদৰে বঢ়মপুৰ আৰু নগাওঁ সমষ্টিৰ ভোটগণনা নগাওঁ চৰকাৰী

উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত অনুষ্ঠিত হ'ব। এই ভোটগণনাৰ বাবে জিলাখনত এহেজাৰ ৪২৪ গৰাকী বিষয়া কৰ্মচাৰীক নিয়োগ কৰা  হৈছে।

মাজুলী জিলাতো কালি ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৫ টা ৰাউণ্ডত ভোটগণনা অনুষ্ঠিত হ'ব। হোজাই জিলাত কাইলৈ হ'বলগীয়া ভোটগণনাৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত নিষেধাজ্ঞামূলক আদেশ জাৰি কৰা হৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সন্ধিয়াৰ ভাগত অহা প্ৰচণ্ড ধুমুহা বৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ভিন ভিন অঞ্চলত হোৱা এই ধুমুহা বৰষুণৰ ফলত ঠায়ে ঠায়ে গছ গছনি উভালি পৰাৰ লগতে কোনো কোনো ঠাইত পথ যোগাযোগ আৰু বিদ্যুৎ সংযোগ ব্যাহত হৈছে। বৰপেটা জিলাত ধুমুহা বৰষুণৰ ফলত জিলাখনৰ বিভিন্ন অঞ্চলত জনজীৱন ব্যাহত হৈছে। ধুমুহাৰ ফলত কেইবাঠাইতো পথৰ ওপৰত গছ বাগৰি পৰে। ইয়াৰ ফলত কোনো লোক হতাহত হোৱা নাই যদিও যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ উপৰি বিদ্যুৎ যোগানো ব্যাহত হৈছে।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কোকৰাঝাৰত উপস্থিত হোৱা ৰাজ্যৰ স্বাস্থ্য সেৱা বিভাগৰ সঞ্চালক ডাঃ উমেশ ফাংছুৱে আজি কোকৰাঝাৰ আৰু চিৰাং জিলাত স্বাস্থ্যজনিত স্থিতিৰ পৰ্যালোচনা কৰে। ৰাজ্যৰ শিক্ষামন্ত্ৰীৰ নিৰ্দেশমৰ্মে সঞ্চালকগৰাকীয়ে কোকৰাঝাৰ জিলাত  মেলেৰীয়া সংক্ৰমণ অধিক হোৱা অঞ্চলসমূহ পৰিদৰ্শন কৰে। তেওঁ জিলাখনৰ সৰলপাৰা আৰু বন্তিঝোৰা অঞ্চললৈ গৈ মেলেৰীয়াৰ সংক্ৰমণ হোৱা পৰিয়ালসমূহৰ সদস্যৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে চৰকাৰী তথ্য অনুসৰি কোকৰাঝাৰ জিলাত ৩০ এপ্ৰিল পৰ্যন্ত ৪৫০ গৰাকীতকৈ অধিক লোক মেলেৰীয়াত আক্ৰান্ত হৈছে। ডাঃ ফাংছুৱে ইয়াৰ পাছতে কোকৰাঝাৰ জিলা সদৰত আয়োজিত এখন উচ্চ পৰ্যায়ৰ বৈঠকতো অংশগ্ৰহণ কৰে।

০০০০

ৰে'ল মন্ত্ৰালয়ে চিকিমৰ জৰেথাং আৰু লেগচিত হৈ মেলিৰ পৰা দেন্তামলৈ নতুন ৰে'লপথৰ বাবে স্থানৰ চূড়ান্ত জৰীপত অনুমোদন জনাইছে। উত্তৰ-পূব সীমান্ত ৰেলৰে ৰূপায়ণ কৰিবলগীয়া এই জৰীপ কাৰ্যৰ বাবে ২ কোটি ২৫ লাখ টকাৰ অনুমোদন দিয়া হৈছে।  ভাৰত-নেপাল সীমান্তত অৱস্থিত দেন্তামৰ দৰে আওহতীয়া চহৰক ৰাষ্ট্ৰীয় ৰে'ল নেটৱৰ্কৰ সৈতে সংযোগ কৰাৰ লক্ষ্যৰে এই প্ৰকল্প গ্ৰহণ কৰা হ'ব।

০০০০

সৰুসজাই ক্ৰীড়া প্ৰকল্পত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত আজিৰে পৰা দেওহাঁহ সৰ্বভাৰতীয় কাৰাটে প্ৰতিযোগিতাৰ তৃতীয় সংস্কৰণ অনুষ্ঠিত হৈছে। কাৰাটেৰ যোগেদি অসমৰ ৰাজ্যিক পক্ষী দেওহাহৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে ইউনিফাইড কাৰাটে গীল্ডৰ উদ্যোগত এই প্ৰতিযোগিতাত বিভিন্ন ৰাজ্যৰ ডেৰ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া ২০২৫ত অসমৰ টেবল টেনিছ খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্যই সোণৰ পদক লাভ কৰিছে। বিহাৰত চলি থকা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত প্ৰিয়ানুজে চূড়ান্ত খেলত তামিলনাডুৰ পি বি অভিনন্দনক ৪-১ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাখনৰ পুৰুষৰ ডাবলছত অসমৰ দিব্য ৰাজখোৱাৰ সৈতে যুটী বান্ধি ৰূপৰ পদক লাভ কৰে। এই সফলতাৰে টেবল টেনিছৰ পুৰুষৰ শাখাত অসমৰ দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। অসমে আজি ছেপাক টেক্ৰোত সোণৰ পদক অৰ্জন কৰে। অসমে বিহাৰক ১৩-১৫, ১৫-১৭ ফলাফলত পৰাস্ত কৰে।

০০০০

সমাপ্ত